# **REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 05-09-2025 **Time :** 1205Hrs.

০০০০০০০

সমগ্ৰ দেশত আজি শিক্ষক দিৱস উদযাপন কৰা হৈছে। শিক্ষাবিদ, দাৰ্শনিক তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ৫ ছেপ্তেম্বৰত এই দিৱস পালন কৰা হয়। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাসমূহ প্ৰদান কৰে। নিজৰ সমৰ্পণ আৰু প্ৰতিশ্ৰুতিবদ্ধতাৰে শিক্ষাৰ মান উন্নত কৰা আৰু শিক্ষাৰ্থীসকলৰ জীৱনত গভীৰ প্ৰভাৱ পেলোৱা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ স্বীকৃতি স্বৰূপে এই বাৰ্ষিক বঁটা প্ৰদান কৰা হয়। এইবাৰ দেশৰ মুঠ ৬৬ গৰাকী শিক্ষকক ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাৰে সন্মানিত কৰা হয়। ইয়াৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৯ গৰাকী শিক্ষক আছে। অসম-অৰুণাচল সীমান্তৰ অতি পিছপৰা অঞ্চল নামচাং চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ শিক্ষক দেৱজিৎ ঘোষে এই সন্মানীয় কৃতী শিক্ষক বঁটাৰ বাবে বাছনি লাভ কৰিছে।

তেজপুৰ বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত শিক্ষক দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত আজি ৰাজ্যিক কৃতী শিক্ষক বঁটাৰ বাবে নিৰ্বাচিত ১৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহল উপস্থিত থাকিব। এই অনুষ্ঠানতে NAAC-ৰ মূল্যায়ণত এ-গ্ৰেড লাভ কৰা মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকলক সম্বৰ্ধনা জনোৱা হ'ব। তদুপৰি শিক্ষা সেতু এপত সৰ্বাধিক উপস্থিতি দিবলৈ সক্ষম হোৱা শীৰ্ষ তিনিখন জিলা, শিক্ষা সেতু এপত বিভিন্ন জিলাৰ উপস্থিতিৰ শীৰ্ষত থকা বিদ্যালয়সমূহৰ মুৰব্বী আৰু মহাবিদ্যালয় তথা পলিটেকনিকৰ পেটেণ্ট লাভ কৰা শিক্ষকসকলকো এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হ'ব।

শিক্ষক দিৱসৰ পবিত্ৰ দিনটোত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিদ্বান, মনিষী তথা শিক্ষাবিদ ড০ সৰ্বেপল্লী ৰাধাকৃষ্ণণলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। তেওঁ লগতে প্ৰতিগৰাকী শিক্ষাগুৰুক শিক্ষক দিৱসৰ ওলগ জনায়।

০০০০০০০

বিটিচি নিৰ্বাচনৰ বাবে ৩৮২ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ ঘোষণা কৰা হৈছে। ৪০টা সমষ্টিৰ বাবে মুঠ ৩৮৪গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল।

বাক্সা জিলাৰ মুঠ ৬৪গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ ঘোষণা কৰা হৈছে। একেদৰে কোকৰাঝাৰ জিলা ১৩২ গৰাকী আৰু তামুলপুৰ জিলাত মুঠ ৫০গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ হিচাপে বিবেচিত হয়। চিৰাং জিলাত ৬৩গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হোৱাৰ বিপৰীতে সমষ্টিটোত এগৰাকী প্ৰাৰ্থীৰ মনোনয়ন নাকচ হয়। ওদালগুৰি জিলাত মুঠ ৭৪গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হয়।

চিৰাং জিলাৰ তিনিটা পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰসমূহ কাজলগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত পৰীক্ষা কৰা হয়। পৰীক্ষাৰ অন্তত জিলাখনৰ চিৰাং দুৱাৰ সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰাৰ্থিত্ব প্ৰদান কৰা চাংগ্ৰা ব্ৰহ্মৰ মনোনয়ন পত্ৰ নাকচ কৰে। ইউ পি পি এল দলৰ প্ৰাক্তন সাধাৰণ সম্পাদক চাংগ্ৰা ব্ৰহ্মাই দলৰ হৈ প্ৰাৰ্থিত্ব নোপোৱাত নিৰ্দলীয় প্ৰাৰ্থীৰূপে মনোনয়ন দাখিল কৰিছিল।

উল্লেখযোগ্য যে বিটিচি নিৰ্বাচনৰ বাবে কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন।

০০০০০

বাক্সা জিলাৰ ২০ নম্বৰ মথনগুৰি পৰিষদীয় সমষ্টিৰ মাছুৱাত কালি বিয়লি ইউ পি পি এল দলৰ এখন যোগদান সভাত কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে অংশগ্ৰহণ কৰে। ইউ পি পি এলৰ প্ৰাৰ্থী মাখন স্বৰ্গিয়াৰীৰ সমৰ্থনত অনুষ্ঠিত এই যোগদান সভাত ইউ পি পি এল দলৰ নীতি আৰু আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ শতাধিক লোকে যোগদান কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি শোণিতপুৰ জিলাৰ ডুকুং চাহ বাগিচাত ৰূপায়ণ কৰা চাহ পৰ্যটন আন্তঃগাঁথনি প্ৰচাৰ আৰু বিকাশ প্ৰকল্পৰ শুভাৰম্ভ কৰে। চাহ বাগিচাসমূহক পৰ্যটনৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে বাগিচাৰ বাংলোসমূহক অতিথিশালালৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ বাবে বিনিয়োগকাৰী তথা বিলাসী হোটেলৰ গোটসমূহক উদগণি যোগোৱাৰ বাবে নীতি প্ৰস্তুত কৰা হৈছে। ৰাজ্য চৰকাৰৰ এনে পদক্ষেপৰ অংশ হিচাপে ডুকুং চাহ বাগিচাৰ পুৰণি বাংলো আৰু অতিৰিক্ত ভূমিত **দা পোষ্টকাৰ্ড হোটেল** মুকলি কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি এই হোটেল আৰু ইয়াৰ চৌহদ পৰিদৰ্শন কৰে। ড০ শৰ্মাই সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত এই হোটেলে অসমৰ চাহ পৰ্যটনৰ ক্ষেত্ৰত বাটকটীয়াৰ ভূমিকা পালন কৰিব বুলি উল্লেখ কৰে।

০০০০০০০

ইছলাম ধৰ্মৰ প্ৰৱৰ্তক হজৰত মহম্মদৰ আজি জন্মদিন। এই উপলক্ষে ইছলাম ধৰ্মাৱলম্বী লোকসকলে আজিৰ দিনটো পৱিত্ৰ মিলাদ-উন-নবী হিচাপে উদযাপন কৰিছে। গোৱালপাৰা জিলাৰ আহলে চুন্নত ওৱাল জামাতৰ উদ্যোগত আজি এক ধৰ্মীয় শোভাযাত্ৰা ঈদগাহ ময়দানৰ পৰা উলিওৱা এই শোভাযাত্ৰা চহৰৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি নতুন বজাৰৰ পীৰ মাঝাৰত সামৰণি পৰে। ধৰ্মীয় শোভাযাত্ৰাটোত ভালেসংখ্যক ধৰ্মপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্‌ছএপযোগে পঠিয়াব লাগিব। হোৱাট্‌ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০০০

**সমাপ্ত**